Total number of printed pages–7

**63 (FY)SEM–2/MAJ2/ASMMIN1024**

# 2024

# ASSAMESE

Paper : ASMMIN1024

## *(Cultural Behaviour of Assam)*

*Full Marks : 70*

*Pass Marks : 28*

Time : Three hours

***The figures in the margin indicate full marks for the questions.***

১। শুদ্ধ উত্তৰ বাচি উলিওৱা ঃ 1×8=8

(i) কালচাৰৰ প্ৰতিশব্দৰূপে ‘কৃষ্টি’ শব্দটো প্ৰয়োগ কৰিছিল

(ক) ৰবীন্দ্ৰনাথ ঠাকুৰে

(খ) সুনীতি কুমাৰ চট্টোপাধ্যায়ে

(গ) যোগেন্দ্ৰ ৰায় বিদ্যানিধিয়ে

(ঘ) এডৱাৰ্ড টাইলাৰে

Contd.

(ii) 'বায়খো' কোনটো জনগোষ্ঠীৰ বসন্ত উৎসৱ?

(ক) বড়ো

(খ) তিৱা

(গ) মিচিং

(ঘ) ৰাভা

(iii) মিচিং সকলৰ এবিধ মূল কৃষি উৎসৱ হ'ল

(ক) আলি আই লৃগাং

(খ) ওৱাংগালা

(গ) বৈছাগু

(ঘ) চমাংকান

(iv) লোক পৰিবেশ্য কলাৰ এটি ভাগ হ'ল

(ক) লোককাহিনী

(খ) লোকভাষা



(গ) লোকশিল্প

(ঘ) লোকনাট্য

(v) 'দোমাহী আলুন' কোনটো জনজাতিৰ বিহুগীত?

(ক) কাৰ্বি

(খ) ডিমাছা

(গ) মিচিং

(ঘ) দেউৰী.

(vi) জাৰি গীতখিনিক অন্য কি নামেৰে জনা যায়?

(ক) ছিয়াগীত

(খ) মাৰ্ছিয়া গীত

(গ) জিকিৰ গীত

(ঘ) আজান পীৰৰ গীত



Contd.

(vii) 'ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলৰ লোকসংস্কৃতি' গ্ৰন্থখনৰ লেখক হ'ল

(ক) বিৰিঞ্চি কুমাৰ বৰুৱা

(খ) লীলা গগৈ

(গ) প্ৰফুল্ল দত্ত গোস্বামী

(ঘ) নবীন চন্দ্ৰ শৰ্মা

(viii) 'নংক্ৰেম' কোনটো জনগোষ্ঠীৰ উৎসৱ?

(ক) খাছী

(খ) ডিমাছা

(গ) গাৰো

(ঘ) মিছিমি



২। চমুকৈ উত্তৰ দিয়া ঃ *(যিকোনো ছয়টা)* 2×6=12

(ক) গগনাৰ ভাগ কেইটা আৰু কি কি?

(খ) লোক ঔষধৰ ভাগ কেইটা আৰু কি কি?

(গ) হাতী আৰু ঘোঁৰাৰ চিকিৎসা-বিষয়ক ব্যৱহাৰিক পুথি *দুখনৰ* নাম লিখা।

(ঘ) *দুবিধ* অৰ্ধনাটকীয় পৰিৱেশ্য কলাৰ নাম লিখা।

(ঙ) ডং নবীন চন্দ্ৰ শৰ্মাৰ লোকসংস্কৃতি-বিষয়ক *দুখন* গ্ৰন্থৰ নাম লিখা।

(চ) *দুবিধ* জনপ্ৰিয় গোৱালপৰীয়া লোকগীতৰ নাম লিখা।

(ছ) খৰিচা কি?

(জ) ওজাপালিৰ ভাগ *দুটা* কি কি?

(ঝ) অসমীয়া বিবাহ অনুষ্ঠানত কি কি গীত গোৱা হয়?

৩। তলৰ প্ৰশ্নসমূহৰ উত্তৰ লিখা ঃ *(যিকোনো পাঁচটা)* 6×5=30

(ক) অসমৰ প্ৰাচীন লোকনাট্য পুতলা নাচ সম্পৰ্কে এটি চমু টোকা প্ৰস্তুত কৰা।

(খ) ওজাপালিৰ ভাগ কেইটা আৰু কি কি আলোচনা কৰা।

(গ) সাধুকথাৰ ভাগকেইটা আৰু কি কি আলোচনা কৰা।

(ঘ) অসমীয়া মানুহৰ খাদ্যাভ্যাস সম্পৰ্কে আলোচনা কৰা।

(ঙ) বড়ো লোকনৃত্য খেৰাই সম্পৰ্কে এটি আলোচনা প্ৰস্তুত কৰা।

(চ) সমাহাৰণ উৎসৱ হিচাপে বিহুৰ মূল্যায়ন কৰা।

(ছ) প্ৰাচীন অসমত প্ৰচলিত খেল-ধেমালি সম্পৰ্কে আলোচনা কৰা।

(জ) "লোকসাহিত্যত অসমীয়া জাতীয় জীৱনৰ প্ৰতিচ্ছবি ফুটি ওলায়।" বাক্যশাৰীৰ যথাৰ্থতা বিচাৰ কৰা।

(ঝ) চমু টোকা লিখা ঃ চমাংকান



৪। *যিকোনো দুটা* প্ৰশ্নৰ উত্তৰ লিখা ঃ 10×2=20

(ক) সংস্কৃতিৰ ভাগ কেইটা আৰু কি কি আলোচনা কৰা।

(খ) অন্ধবিশ্বাসে সমাজত কেনেদৰে প্ৰভাৱ বিস্তাৰ কৰিব পাৰে আলোচনা কৰা।

(গ) "অসমীয়া সংস্কৃতি সমন্বয়ৰ সংস্কৃতি।"
যথাযথ নিদৰ্শনসহ বাক্যশাৰীৰ যথাৰ্থতা বিচাৰ কৰা।

(ঘ) বড়োসকলৰ সাংস্কৃতিক ঐতিহ্য সম্পৰ্কে এক আলোচনা প্ৰস্তুত কৰা।

---